# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 29-05 -2024
**Time :** 19-10 hrs

## ASSAMESE EVENING BULLETIN
### HEADLINES

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে কাইলৈ প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

২। ৰীমাল ঘূৰ্ণী বতাহৰ প্ৰভাৱত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে।

৩। প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থাই আজি ওড়িশাৰ ভাৰতীয় বায়ু সেনাৰ এছ্ ইউ-থাৰটি এম কে ওৱান মঞ্চৰ পৰা আকাশ মাৰ্গৰ পৰা ভূপৃষ্ঠলৈ নিক্ষেপ কৰিব পৰা ৰুদ্ৰ এম টু ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে।

৪। ৰাষ্ট্ৰীয় টেলিমানসিক স্বাস্থ্য কাৰ্যসূচী টেলি-মানস হেল্পলাইন মুকলি কৰাৰে পৰা বৰ্তমানলৈকে এই হেল্পলাইনযোগে ১০ লাখৰো অধিক ফোন কল লাভ কৰা হৈছে। ***আৰু***

৫। অৰুন্ধতি চৌধুৰীয়ে পেৰিছ্ অলিম্পিকৰ বাবে বিশ্ব বক্সিং যোগ্যতা নিৰূপণকাৰী প্ৰতিযোগিতাৰ ৬৬ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।।

০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে কাইলৈ প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। নিৰ্বাচনী প্ৰচাৰৰ সামৰণিৰ দিন চমু চাপি অহাৰ লগে লগে প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সপ্তম পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি পশ্চিমবংগৰ মথুৰাপুৰত এটা নিৰ্বাচনী সমাৰেশত ভাষণ দিয়ে। তেওঁ কয় যে, আমেৰিকা যুক্তৰাষ্ট্ৰ, ইউৰোপেই হওক অথবা জাপানেই হওক সম্প্ৰতি সকলোৱে ভাৰতলৈ সন্মানৰ দৃষ্টিৰে চায়। তেওঁ কয় যে, জনসাধাৰণে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰক কেন্দ্ৰত ক্ষমতাত অধিস্থিত কৰাৰ বাবে এয়া সম্ভৱ হৈ উঠিছে। বৰ্তমান চৰকাৰৰ বিভিন্ন সাফল্যৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বিগত ১০ বছৰত কেন্দ্ৰীয় চৰকাৰে ৪ কোটি লোকক বাসগৃহ প্ৰদান কৰিছে, ১২ কোটি বাসগৃহলৈ নলযোগে পানী যোগান ধৰিছে আৰু দেশৰ প্ৰতিখন গাওঁলৈ বিদ্যুৎ যোগান ধৰিছে। তেওঁ কয় যে সম্প্ৰতি ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে। ভাৰত উন্নত ৰাষ্ট্ৰ হোৱাৰ পথত অগ্ৰসৰ হোৱা বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে পৰৱৰ্তী ৫ বছৰে এখন সোণালী ভাৰতবৰ্ষ গঢ়াত এটা নিৰ্ণায়ক ভূমিকা পালন কৰিব।

ঝাৰখণ্ডতো নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি ডুমকাৰ সাৰথত এখন নিৰ্বাচনী সভাত ভাষণ দি আই এন ডি আই মিত্ৰজোট দুৰ্নীতিগ্ৰস্ত নেতাৰ মিত্ৰজোটৰ বাহিৰে আন একোৱেই নহয় বুলি মন্তব্য কৰে। আই এন ডি আই মিত্ৰজোট আৰু ইয়াৰ মিত্ৰ দলসমূহৰ সকলো নেতাই দুৰ্নীতিগ্ৰস্ত আৰু বিভিন্ন কেলেংকাৰীত জড়িত বুলি বিজেপিৰ সভাপতিগৰাকীয়ে অভিযোগ তোলে। তেওঁ কয় যে, ৰাহুল গান্ধী, ছোনীয়া গান্ধী, পি চিদাম্বৰম, কাৰ্তি চিদাম্বৰম, অৰবিন্দ কেজৰিৱাল আৰু লালু প্ৰসাদ যাদৱকে ধৰি আই এন ডি আই মিত্ৰজোটৰ কেইবাগৰাকীও আগশাৰীৰ নেতা জামিনত আছে আৰু মনিষ ছিছোদিয়া, সত্যেন্দ্ৰ জৈন, আজম খান আৰু তৃণমূল কংগ্ৰেছ তথা ডি এম কেৰ কেইবাগৰাকীও নেতা কাৰাবান্দী হৈ আছে। কংগ্ৰেছে ধৰ্মৰ ভিত্তিত সংৰক্ষণ প্ৰদান কৰিব খোজা বুলি অভিযোগ তুলি শ্ৰীনাড্ডাই কয় যে বি আৰ আম্বেদকাৰে ধৰ্ম নহয় বৰং কোনো স্থানৰ ভৌগলিক অৱস্থিতি আৰু সামাজিক স্থিতিৰ ভিত্তিত সংৰক্ষণ প্ৰদানৰ পোষকতা কৰিছিল।

বিহাৰতো সপ্তম পৰ্যায়ৰ নিৰ্বাচনত প্ৰচাৰ তুংগত উঠিছে। এন ডি এ, মহামিত্ৰজোঁট আৰু অন্য ৰাজনৈতিক দলৰ নেতাসকলে ৰাজ্যখনত ব্যাপক প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি কাৰাকাট সংসদীয় সমষ্টিত বিক্ৰমগঞ্জত দলৰ হকে প্ৰচাৰ চলায়। তেওঁ কয় যে, দহ বছৰৰ পিছত কংগ্ৰেছ দল দেশৰ পৰা বিলুপ্ত হ'ব আৰু দলটোৰ বিলুপ্তিৰ ক্ষণ গণনা ইতিমধ্যে আৰম্ভ হৈছে। তেঁও কয় যে, কংগ্ৰেছে ৫২ বছৰৰো অধিক সময় ধৰি শাসনত থকা সত্বেও ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাত ব্যৰ্থ হৈছে। আৰ জে দিও দলৰ নিৰ্বাচনী প্ৰতীক লণ্ঠনৰ দৰে বিস্মৃতিত পৰিণত হব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেঁও কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো ক্ষেত্ৰতে দেশক উন্নতিৰ নতুন শিখৰলৈ লৈ গৈছে। তেওঁ কয় যে, এন ডি এ চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালত গ্ৰহণ কৰা উদ্যমসমূহ তৃতীয়টো কাৰ্যকালত সম্প্ৰসাৰণ কৰা হ'ব আৰু জাতি-ধৰ্ম, শ্ৰেণী নিৰ্বিশেষে ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ সকলো জ্যেষ্ঠ নাগৰিকে আয়ুষ্মান ভাৰত আঁচনিৰ উপকাৰ লাভ কৰিব।

ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি উত্তৰ প্ৰদেশত ৪ খন নিৰ্বাচনী সভা আৰু এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। মহাৰাজগঞ্জত প্ৰথমখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীশ্বাহে প্ৰথম ৫ টা পৰ্যায়তে বিজেপিয়ে ৩শৰো অধিক আসন লাভ কৰিব বুলি আৰু ষষ্ঠ তথা সপ্তম পৰ্যায়ৰ অন্তত দলৰ আসনৰ সংখ্যা ৪০০ ৰো অধিক হ'ব বুলি দাবী কৰে। তেওঁ দেওৰীয়া, বলিয়া, সোনভদ্ৰাত আন ৩ খন সভাত ভাগ লয়। গাজীপুৰত বিজেপি নেতাগৰাকীয়ে এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে আজি কুশীনগৰত এটা সমাবেশক সম্বোধন কৰে। তেওঁ কয় যে একমাত্ৰ বিজেপিৰহে দেশৰ সীমান্ত সুৰক্ষিত ৰখাৰ সামৰ্থ আছে।

ৰাষ্ট্ৰীয় শোষিত সমাজ পাৰ্টীৰ নেতা তথা প্ৰাক্তন মন্ত্ৰী স্বামী প্ৰসাদ মৌৰ্য্যইও আজি কুশীনগৰত প্ৰচাৰ চলায়। তেওঁ সমষ্টিটোৰ পৰা নৱগঠিত দলটোৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়াইছে। আনহাতে, সমাজবাদী পাৰ্টীৰ মুৰবী অখিলেশ যাদৱে আজি লোকসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ সমান্তৰালভাবে উপ নিৰ্বাচন হবলগীয়া দুধি বিধানসভা সমষ্টিত প্ৰচাৰত ভাগ লয়। পাছত তেওঁ ৰোবাৰ্টছ্গঞ্জ আৰু মিৰ্জাপুৰ লোকসভা সমষ্টিত দলৰ হকে প্ৰচাৰ চলায়। অখিলেশ যাদৱৰ পত্নী ডিম্পল যাদৱে কুশীনগৰত এটা ৰোড শ্ব'ত ভাগ লয়। ইপিনে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি পাঞ্জাবৰ লুধিয়ানাত এখন নিৰ্বাচনী সভাত ভাষণ দি ৰাজ্যখন মাদক দ্ৰব্যৰ সমস্যাৰ সন্মুখীন হোৱা বুলি

আৰু এই সমস্যা দিনক দিনে বৃদ্ধি পোৱা বুলি মন্তব্য কৰে। বিষয়টোৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণৰ আৰশ্যকতা আছে বুলি তেওঁ উল্লেখ কৰে। কৃষকসকলক ন্যূনতম সমৰ্থন মূল্য ৰূপায়ণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি শ্ৰীগান্ধীয়ে কয় যে, খেতিয়কসকলৰ ঋণসমূহ মাফ কৰা হ'ব।

ooo

ৰীমাল ঘূৰ্ণী বতাহৰ প্ৰভাৱত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত বিগত ২৪ ঘণ্টাত ধুমুহাজনিত ঘটনাত কমেও ৩৩ জন লোকে প্ৰাণ হেৰুৱাইছে। ধাৰাসাৰ বৰষুণৰ সৈতে অহা প্ৰচণ্ড ধুমুহাৰ ফলত ভালেমান অঞ্চলত গছ, বিদ্যুতৰ খুটা উভালি পৰিছে আৰু বিদ্যুৎ তথা ইণ্টাৰনেট সেৱা ব্যাহত হৈ আছে। বৰষুণৰ বাবে ঠাইবিশেষে হোৱা ভূমিস্খলনত বহু লোক ক্ষতিৰ সন্মুখীন হৈছে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাওঁ, হোজাই, কাৰ্বি আংলং, গোলাঘাট, ডিমা হাচাও, কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাত সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ ৰখাৰ নিৰ্দেশ দিছে। নেৰানেপেৰা বৰষুণৰ ফলত হোৱা ভূমিস্খলনৰ বাবে অসমৰ বৰাক উপত্যকা, ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামৰ সৈতে দেশৰ বাকী অংশৰ পথ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। বৰাক নৈৰ জলস্তৰ যোৱা ১২ ঘণ্টাত আঢ়ৈ মিটাৰৰো অধিক বৃদ্ধি পাইছে আৰু ইয়াৰ ফলত অঞ্চলটোৰ ভালেমান ঠাই বাঢ়নি পানীয়ে বুৰাই পেলাইছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে, **শিলচৰৰ** অন্নপূৰ্ণা ঘাটত বৰাক নৈৰ জলপৃষ্ঠই বিপদ সীমা অতিক্ৰম কৰিছে।

ooo

প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা-ডিআৰডিঅ'ই আজি উড়িশাৰ ভাৰতীয় বায়ু সেনাৰ এছ্ ইউ-থাৰটি এম কে ওৱান মঞ্চৰ পৰা আকাশ মাৰ্গৰ পৰা ভূপৃষ্ঠলৈ নিক্ষেপ কৰিব পৰা ৰুদ্ৰ এম টু ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে পৰীক্ষণৰ সকলো উদ্দেশ্যে পূৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে। ৰুদ্ৰ-এম টু থলুৱাভাৱে বিকশাই তোলা ক্ষেপনাস্ত্ৰ প্ৰণালী। ডি আৰ ডি অ'ৰ বিভিন্ন পৰীক্ষাগাৰত বিকশাই তোলা ভালেসংখ্যক অত্যাধুনিক প্ৰযুক্তি এই ক্ষেপনাস্ত্ৰ প্ৰণালী প্ৰয়োগ কৰা হৈছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৰুদ্ৰ-এম টুৰ সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ', ভাৰতীয় বায়ু সেনা বাহিনী আৰু প্ৰতিৰক্ষা উদ্যোগৰ সৈতে জড়িত লোকসকলক অভিনন্দন জনাইছে। তেওঁ কয় যে এই সফল পৰীক্ষণে ভাৰতীয় বায়ু সেনাৰ সামৰ্থ বৃদ্ধি কৰিব। ডি আৰ ডি অ'ৰ অধ্যক্ষ ড০ সমীৰ ভি কামাটে পৰীক্ষণ সফল কৰি তোলাৰ বাবে চলোৱা প্ৰয়াস আৰু এই ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে পৰীক্ষণৰ সৈতে জড়িত ডি আৰ ডি অ'ৰ দলটোৰ শলাগ লৈছে।

ooo

ৰাষ্ট্ৰীয় টেলিমানসিক স্বাস্থ্য কাৰ্যসূচী টেলি-মানস হেল্পলাইন মুকলি কৰাৰে পৰা বৰ্তমানলৈকে এই হেল্পলাইনযোগে ১০ লাখৰো অধিক ফোন কল লাভ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ ৰাষ্ট্ৰতে মানসিক স্বাস্থ্য সেৱা বৃদ্ধিৰ উদ্দেশ্যে ২০২২ চনৰ অক্টোবৰত এই হেল্পলাইন মুকলি কৰা হৈছিল। দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এই কাৰ্যসূচীৰ অধীনত এতিয়ালৈকে ৫১ টা টেলি-মানস কোষ স্থাপন কৰা হৈছে। স্বাস্থ্য আৰু

পৰিয়াল কল্যাণ মন্ত্ৰালয়ে কৈছে যে, এই হেল্পলাইনৰ জৰিয়তে ২০২২ চনৰ ডিচেম্বৰৰ পৰা ২০২৪ ৰ মে’লৈ ৯০ হাজাৰৰো অধিক ফোন কল লাভ কৰা হৈছে।

০০০

ৰাজ্যৰ বিভিন্ন অংশ আজি সন্ধিয়া ৬ বাজি ৪৪ মিনিটত ভূমিকম্পৰ জোকাৰণি অনুভুত হয়। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য ৪ দশমিক শূন্য আছিল। এই ভূমিকম্পৰ অভিকেন্দ্ৰ মেঘালয়ৰ শ্বিলঙৰ পৰা ১০ কিলোমিটাৰ নিলগত বুলি জানিব পৰা গৈছে।

০০০

ৰাষ্ট্ৰীয় চেম্পিয়ন অৰুন্ধতি চৌধুৰীয়ে আজি থাইলেণ্ডৰ বেংককত অনুষ্ঠিত পেৰিছ অলিম্পিকৰ বক্সিঙৰ বিশ্ব যোগ্যতা নিৰূপণকাৰী প্ৰতিযোগিতাৰ ৬৬ কিলোগ্ৰাম শাখাৰ খেলত জয়লাভ কৰি প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। চৌধুৰীয়ে প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত প’ৰ্টোৰিকোৰ ষ্টিফেনি পিনেইৰোৰ বিৰুদ্ধে সহজে জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয় পাউণ্ডত তেওঁ কিছু ৰক্ষণশীল খেল প্ৰদৰ্শন কৰে। পৰৱৰ্তী ৰাউণ্ডত উন্নত প্ৰদৰ্শনেৰে খেলখনত তেওঁ ৫-০ ফলাফলত জয়লাভ কৰে।

আন এগৰাকী ভাৰতীয় বক্সাৰ নৰেন্দৰ বাৰৱালে ৯২ কেজিৰ উৰ্ধৰ শাখাত ইকুৱেডৰৰ গাৰ্লন গিলমাৰ কংগ চালাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিদ্বন্দিতা আগবঢ়াই যদিও পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিবলৈ অসমৰ্থ হয়।

০০০

সমাপ্ত